**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 08-02-2026 **Time :** 1205Hrs.

## HEADLINES

১। জামুগুৰিহাটৰ ধলাইবিলত অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি।

২। স্পেইনৰ আলিকাণ্টেত অনুষ্ঠিত বক্সাম এলিট ইণ্টাৰনেচনেল বক্সিং প্ৰতিযোগিতাত লাভলীনা বৰগোহাইৰ ৭৫ কিলোগ্ৰাম শাখাত  সোণৰ পদক লাভ।

৩। বিশিষ্ট নাট্যশিল্পী ৰফিকুল হুছেইনৰ আজি জানাজা।

আৰু

৪। টি-২০ বিশ্ব কাপ ক্ৰিকেট প্ৰতিযোগিতাত প্ৰথমখন খেলত আজি নিউজিলেণ্ড আফগানিস্তানৰ মাজত প্ৰথমখন খেল।

০০০০০০০

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰিব। জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰ তিনিদিনীয়াকৈ অনুষ্ঠিত অধিৱেশনৰ আজি অন্তিম দিনটোত ধৰ্ম ধ্বজা উত্তোলনৰ পাছতে ভাগৱত যাত্ৰা উলিওৱা হয়। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰে হংসযানত উঠি শোভাযাত্ৰাত অংশগ্ৰহণ কৰে।

ইয়াৰ পূৰ্বে দ্বিতীয় দিনটোত কালি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা হাজাৰ হাজাৰ ভকত বৈষ্ণৱ, আই মাতৃয়ে ভিন ভিন অনুষ্ঠানত অংশগ্ৰহণ কৰে। অধিবেশন উপলক্ষে কালি অনুষ্ঠিত মুকলি সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমীয়া সমাজ জীৱনলৈ মহাপুৰুষজনাই আগবঢ়োৱা অৱদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই তেওঁৰ ভাষণত কয় যে শ্ৰীমন্ত শংকৰদেৱে অসমীয়া জাতিক একতাৰ ডোলেৰে বান্ধি ৰাখিবলৈ সমৰ্থ হৈছে। মহাপুৰুষজনাই অসমীয়া জাতিক নতুন প্ৰাণৰ সঞ্চাৰ কৰা বুলিও তেওঁ উল্লেখ কৰে। শ্ৰীমন্ত শংকৰদেৱ সংঘই অসমৰ সমাজ জীৱনৰ উৎকৰ্ষৰ বাবে কাম কৰি আহিছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে। শংকৰদেৱ বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰি শৈক্ষিক আৰু বৌদ্ধিক ক্ষেত্ৰত সংঘই আগবঢ়োৱা বৰঙণিৰ তেওঁ শলাগ লয়। আনহাতে, শ্ৰীমন্ত শংকৰদেৱ সংঘক ২ কোটি টকাৰ অনুদান দিয়াৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে আশ্বাস প্ৰদান কৰে।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশনত কেন্দ্ৰীয় যোগাযোগ ব্যুৰোৰ গুৱাহাটী আঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত তিনিদিনীয়াকৈ বিকশিত ভাৰত শীৰ্ষক সংহত যোগাযোগ আৰু প্ৰচাৰ কাৰ্যসূচীৰ লগতে মাল্টিমিডিয়া প্ৰদৰ্শনীৰ আয়োজন কৰা হয়।

০০০০০০০০

অসম সাহিত্য সভাৰ অন্যতম শতদল শাখা, পাঠশালা সাহিত্য সভাৰ ২০২ সংখ্যক আলোচনা চক্ৰ আজি পাঠশালা সাহিত্য সভাৰ সভাকক্ষত অনুষ্ঠিত হ'ব। বিশ্ব বৰেণ্য শিল্পী অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ভাৰতৰত্ন সন্মানেৰে সন্মানিত ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সৈতে সংগতি ৰাখি এই আলোচনা চক্ৰৰ আয়োজন কৰা হৈছে। পাঠশালা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চক্ৰপানি কলিতা পৰিয়ালৰ সহযোগিতাত আয়োজিত আলোচনা চক্ৰৰ বিষয়বস্তু হৈছে **ড° ভূপেন হাজিৰকাৰ বৌদ্ধিক আৰু সাংস্কৃতিক চেতনাৰ ব্যাপ্তি**। আলোচনা চক্ৰখনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তথা বিশিষ্ট লেখক, গৱেষক ড° অখিল ৰঞ্জন দত্তই আলোচক হিচাপে অংশগ্ৰহণ কৰিব। পাঠশালা সাহিত্য সভাৰ সভাপতি অনিল ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া আলোচনা চক্ৰখন বৰপেটা জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট শিক্ষাবিদ মুনীন্দ্ৰ নাৰায়ণ গোস্বামীয়ে সঞ্চালনা কৰিব।

oooooooo

স্পেইনৰ আলিকাণ্টেত অনুষ্ঠিত বক্সাম এলিট ইণ্টাৰনেচনেল বক্সিং প্ৰতিযোগিতাত লাভলীনা বৰগোহাইয়ে ৭৫ কিলোগ্ৰাম শাখাত  সোণৰ পদক লাভ কৰিছে। অসমৰ অলিম্পিক পদক জয়ী তাৰকা খেলুৱৈগৰাকীয়ে প্ৰতিযোগিতাৰ ফাইনেলত ইংলেণ্ডৰ মেৰী স্মিথক পৰাস্ত কৰি চূড়ান্ত বিজয়ীৰ শিতাপ অৰ্জন কৰে। কালি অনুষ্ঠিত  ছেমিফাইনেলত লাভলীনাই - ৱেলছৰ ৰজি একল্ছক  ৫-০ পইণ্টত পৰাস্ত কৰে।

oooooooo

বিশিষ্ট নাট্যকাৰ তথা নাট্যশিল্পী, কবি, পৰিচালক, ৰফিকুল হোছেইনৰ জানাজা আজি বিয়লি ৫ বজাত বোকাখাতত সম্পন্ন কৰা হ'ব। ইয়াৰ পূৰ্বে বোকাখাত নাট্যমন্দিৰত নাট্যশিল্পীগৰাকীৰ নশ্বৰদেহত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি নিবেদনৰ ব্যৱস্থা কৰা হৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে কালি নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত নাট্যকাৰ-সাহিত্যিকগৰাকীৰ দেহাৱসান ঘটে। তেওঁৰ বয়স আছিল ৭২ বছৰ। উচ্চ ৰক্তচাপজনিত ষ্ট্ৰ'কত আক্ৰান্ত হৈ শিল্পী হোছেইন বিগত এসপ্তাহ ধৰি চিকিৎসাধীন হৈ আছিল। চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰাৰ পাছত তেওঁৰ নশ্বৰদেহ আজি বোকাখাতৰ স্বগৃহলৈ নিয়া হয়।

১৯৫৪ চনত গোলাঘাটৰ বোকাখাতত জন্মগ্ৰহণ কৰা ৰফিকুল হোছেইন ৰাজ্যৰ এগৰাকী আগশাৰীৰ প্ৰতিষ্ঠিত কবি, নাট্যকাৰ তথা পৰিচালক আছিল। শৰবিদ্ধ আকাশ, বিষাদ বসন্ত, চাকিৰ ৰংঘৰ, গোপনৰ অন্তেষপুৰ আদি তেওঁৰ উল্লেখযোগ্য কাব্যগ্ৰন্থ। শিল্পীগৰাকীয়ে সাহিত্য আৰু নাটকৰ জগতখনলৈ আগবঢ়োৱা অৱদানৰ বাবে ২০১০ চনত তেওঁক স্বভাৱশিল্পী অমূল্য কাকতি সোঁৱৰণী বঁটাৰে সন্মানিত কৰা হৈছিল। ১৯৯৬ চনত অসম সাহিত্য সভাৰ তিলক চন্দ্ৰ শৰ্মা সোঁৱৰণী নাট্য বঁটা, ২০১৮ চনত শৈলধৰ ৰাজখোৱা বঁটা, ২০১৭ চনত ক্ৰান্তিকাল সাহিত্য সন্মান, অসম নাট্য সন্মিলনৰ সৈনিক শিল্পী ব্ৰজনাথ শৰ্মা বঁটা আৰু অসম নাট্য পৰিষদৰ আলী হাইদৰ নাট্যকাৰ বঁটাৰেও তেওঁক সন্মানিত কৰা হৈছিল।

oooooooo

প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈৰ পাকিস্তানৰ সৈতে সম্পৰ্ক থকা অভিযোগ সন্দৰ্ভত এছ আই টিয়ে দাখিল কৰা প্ৰতিবেদন আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত আয়োজিত এখন সংবাদমেলত বিতংভাৱে সদৰী কৰে। তেওঁ কয়, যে সাংসদগৰাকী তেওঁৰ পত্নীৰ একাধিকবাৰ পাকিস্তান ভ্ৰমণ

আৰু সেই দেশৰ বিভিন্ন লোকৰ সৈতে কৰা যোগাযোগ সন্দৰ্ভত এই প্ৰতিবেদনত বিতংভাৱে প্ৰকাশ পাইছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, অসম মন্ত্ৰীসভাৰ এখন বৈঠকৰ পিছত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই এছ্‌ আই টিৰ প্ৰতিবেদন কেন্দ্ৰীয় গৃহ মন্ত্ৰ্যালয়লৈ প্ৰেৰণ কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি প্ৰকাশ কৰিছিল। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে কেবিনেটত এছ্‌ আই টিৰ প্ৰতিবেদনখন কালি বিস্তৃতভাৱে আলোচনা কৰা হয়। অধিক গভীৰলৈ গৈ বিষয়টো তদন্ত কৰাৰ বাবে গৃহ মন্ত্ৰ্যালয়লৈ প্ৰেৰণ কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত লোৱা বুলি তেওঁ কয়।

০০০০০০০০

ৰাজ্যৰ সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে দুদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত হোৱা দলটো আজিৰে পৰা কেইবালানি আলোচনাত মিলিত হ'ব। কালি গুৱাহাটীত উপস্থিত হোৱা উপ-নিৰ্বাচন আয়ুক্ত মণিষ গাৰ্গ নেতৃত্বাধীন চাৰিজনীয়া দলটো প্ৰথমে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ লগত আলোচনাত মিলিত হ'ব। বৈঠকত অতিৰিক্ত মুখ্য নিৰ্বাচনী বিষয়া দামোদৰ বৰ্মনকে ধৰি কেইবাজনো শীৰ্ষ বিষয়া উপস্থিত থাকিব। এই আলোচনাৰ পাছতে দলটোৱে ৰাজ্যৰ প্ৰতিখন জিলাৰ আয়ুক্ত আৰু নিৰ্বাচনী বিষয়াসকলৰ সৈতেও সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সম্পৰ্কে বিষদভাৱে আলোচনা কৰিব। দলটোৱে ৰাজ্য চৰকাৰৰ মুখ্যসচিব, আৰক্ষী সঞ্চালক প্ৰধান, অসম আৰক্ষীৰ আইন-শৃংখলা শাখাৰ মহা পৰিদৰ্শক, প্ৰতিখন জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক, কেন্দ্ৰীয় অৰ্ধ সামৰিক বাহিনী, সীমান্ত সুৰক্ষা বাহিনী আৰু অন্য নিৰাপত্তাৰক্ষী সংস্থাসমূহৰ সৈতে সুৰক্ষাৰ বিষয়লৈ আলোচনা কৰিব। ১৭ ফেব্ৰুৱাৰীত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্ত ডঃ সুখবীৰ সিং সান্ধু আৰু ডঃ বিবেক যোশীৰে গঠিত আয়োগৰ পূৰ্ণাংগ দল অসমলৈ আহি ৰাজ্যখনৰ নিৰ্বাচনী প্ৰস্তুতি পৰ্যালোচনা কৰাৰ লগতে সাম্প্ৰতিক পৰিস্থিতিৰ বুজ ল'ব। দুয়োটা দলে নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লৈ উভতি যোৱাৰ পাছতে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে ফেব্ৰুৱাৰীৰ অন্তিম ভাগত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰিছিল।

০০০০০০০০

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত প্ৰথমখন খেলত নিউজিলেণ্ড আফগানিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। খেলখনত আফগানিস্তানে প্ৰথম বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি বাতৰি যুগুতোৱাৰ পৰলৈকে ১২ অভাৰ দুটা উইকেটৰ বিনিময়ত ৯২ ৰান সংগ্ৰহ কৰিছে।

উল্লেখযোগ্য যে, আজি প্ৰতিযোগিতাৰ ৩ খন খেল অনুষ্ঠিত হ'ব। মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত বিয়লি ৩ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ইংলেণ্ড নেপালৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে সন্ধিয়া ৭ বজাত কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত হ'বলগীয়া আজিৰ তৃতীয়খন খেলত শ্ৰীলংকাই আয়াৰলেণ্ডৰ বিৰুদ্ধে খেলিব।

ভাৰতে কালি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত নিজৰ প্ৰথমখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰক ২৯ ৰানত পৰাস্ত কৰি জয়েৰে অভিযান আৰম্ভ কৰিছে।

০০০০০

সমাপ্ত